# ষষ্ঠ অধ্যায়

## উপসংহাৰ

উপভাষা তথা লোক সাহিত্যৰ অধ্যয়নে আমাক বহু সহায় কৰে। লোক সাহিত্যৰ এটা জাতিৰ সাহিত্যৰ অলিখিত দলিল। আকৌ ভাষা এটাৰ সংকীৰ্ণ ৰূপ উপভাষা। ভাষাৰ বিজ্ঞানসন্মত অধ্যয়নৰ ক্ষেত্ৰত যি উপায় অৱলম্বন কৰা হয় ঠিক একেদৰে উপভাষা অধ্যয়নৰ ক্ষেত্ৰতো একে উপায় অৱলম্বন কৰা হয়। মানুহৰ মুখে মুখে প্ৰচলিত সাহিত্য হ'ল লোক সাহিত্য আৰু মানুহৰ কথিত ভাষা হ'ল উপভাষা। উপৰে উপৰে চালে ভাষাৰ মাজত কোনো পাৰ্থক্য নথকা যেন লাগে। কিন্তু যেতিয়া বিশ্লেষণৰ দ্বাৰা ভাষা এটা অধ্যয়ন কৰা হয় তেতিয়াহে ভাষাৰ ভিন্ন ৰূপ দৃষ্টি গোচৰ হয়। ভাষাক বোৱতি নদীৰ লগত তুলনা কৰা হয়। কেতিয়াও একেটা ৰূপতে ভাষা পাব নোৱাৰি। ধ্বনি, শব্দগঠন বা বাক্যগঠন পদ্ধতি আদিৰ ক্ষেত্ৰত ক্ৰমবিকাশ ঘটি ন ন ৰূপ লাভ কৰে। উপভাষা অধ্যয়নৰ ফলতহে এইবোৰ সংৰক্ষিত হৈ থাকে। আৰু তেতিয়াহে পৰৱৰ্তী কালত ভাষাবিজ্ঞানীসকলৰ বাবে ভাষা এটা অধ্যয়ন তথা বিশ্লেষণ কৰাত সহায়ক হয়। উপভাষা এটাত এনে কিছুমান প্ৰাচীন তথ্য সম্বলিত বৈশিষ্ট্য সংৰক্ষিত হৈ থাকে যিবোৰ আমি মান্য ভাষাত বিচাৰি নাপাওঁ।

ভাষা এটাৰ সম্পূৰ্ণ বিৱৰণ পাবৰ বাবে উপভাষাৰ অধ্যয়ন অতিকৈ প্ৰয়োজন। আজিলৈ অধ্যয়ন নকৰা এটা উপভাষা হৈছে মধ্য অসমৰ উপভাষা বা মায়ঙৰ উপভাষা। এই ভাষাটোত ইমান বেছি  আন ভাষাত নোপোৱা শব্দ, অৰ্থ

আৰু বাক্যতত্বৰ সুকীয়াত্ব আছে যে বহু আগতেই এই উপভাষাটোৰ অধ্যয়ন হ'ব লাগিছিল। ভাষা এটা অধ্যয়ন কৰিবলৈ এটা প্ৰণালী আছে। সেই একে প্ৰণালীৰে উপভাষা এটা অধ্যয়ন কৰা হয়। মায়ঙৰ ভাষাত এনে কিছুমান শব্দ আছে যিবোৰ মান্য ভাষাত পাবলৈ নাই। যেনে- দৰঘ /দৰখ/দৰক (এৰাল), গৰিয়া আলু (মিঠা আলু), তিফিলা (আমলখি), অমৈতা (অমিতা), ফলিয়ামাছ (কান্দুলি মাছ), গৰকামাছ (চেং মাছ), ভখাৰি (ভৰাল ), কাকতিফুল (নাৰ্জিফুল), নেওথনি (মাটিকাদুৰি), ডিমা (কণী), শেতেলী (বিচনা), শেউন (শেঙুন), খান্তা (গড়খাৰৈ), তিতিয়া (তেতিয়া), কিমন (কিমান), দুটামন (দুটামান) ইদিগি (এইফালে), পেট্‌লা (শকত) ইত্যাদি।

আনহাতে পুৰণি অসমীয়া সাহিত্য অধ্যয়ন কৰিলে দেখা যায় যে মায়ঙৰ বহু শব্দ পুৰণি অসমীয়া সাহিত্যত সন্নিবিষ্ট হোৱা দেখা যায়। যেনে- চনা, লেজ, লুম, চেঙৰা, ভাজনি, মিথৈ আদি। আকৌ একেটা শব্দৰে বহু অৰ্থযুক্ত শব্দ মায়ঙৰ ভাষাত দেখা যায় যিটো মান্য ভাষাত পোৱা নাযায়। যেনে- বনগুটি শব্দৰ বিপৰীতে সজন কাটা, অৰ্জুনসৰ, ওভোটা বন আদি শব্দ পোৱা যায়।

ধ্বনিতত্ব, ৰূপতত্বৰ ক্ষেত্ৰতো মায়ঙীয়াৰ নিজা বৈশিষ্ট্য আছে। অনুস্বৰৰ প্ৰয়োগ মায়ঙীয়া ভাষাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। সাধাৰণতে ক্ৰিয়াৰূপৰ লগত অনুস্বাৰৰ উচ্চাৰণ হোৱা দেখা যায়। যেনে- মৰিলং, খালং, গলং, দেখিলং আদি।

মায়ঙীয়া উপভাষাত বহু অনাৰ্য ভাষাৰ প্ৰভাৱ পৰা দেখা যায়। বিশেষকৈ চীন-তিব্বতবৰ্মী ভাষা পৰিয়ালৰ শব্দ সম্ভাৰৰ প্ৰয়োগ হোৱা দেখা যায়। যেনে- দখনা, চেঙেৰা, গভিয়া ইত্যাদি।

মায়ং কামৰূপ আৰু দৰঙৰ দাঁতিকাষৰীয়া অঞ্চল। আনহাতে কামৰূপ আৰু দৰঙৰ পৰা বহুলোক মায়ঙলৈ আহি স্থায়ীভাবে থাকিব লোৱা হেতুকে ইয়াত দুয়ো ঠাইৰ ভাষাৰ বহুখিনি প্ৰভাৱ পৰা পৰিলক্ষিত হয়। দৰঙৰ ভাষাত যেনেদৰে বহুবচনাত্মক প্ৰত্যয় গিলা, চব আদিৰ প্ৰয়োগ আছে মায়ঙৰ ভাষাতো চোনা গিলা,

চবেই জানে আদিৰ প্ৰয়োগ আছে। কামৰূপী শব্দ গবাৰ (গোবৰ), কাথি (পিৰালি) ধৰাসাপ (ঢোৰাসাপ) আদি মায়ঙতো প্ৰচলন আছে।

মায়ং ভাষাৰ ক্ষেত্ৰত যেনেদৰে এটা সুকীয়া পৰিচয় আছে ঠিক তেনেদৰে লোকসাহিত্যৰ ক্ষেত্ৰতো ইয়াৰ সুকীয়া বিশেষত্ব চকুত পৰে। বিশেষকৈ মন্ত্ৰ সাহিত্যত মায়ং ভাৰত বিখ্যাত। বহু দূৰ দূৰণিৰ পৰা মন্ত্ৰ, বেজ বিচাৰি মানুহ মায়ঙলৈ আহে। কিন্তু দুখৰ বিষয় যে বাহিৰত ইয়াৰ যিমান আদৰ সন্মান আছে ইয়াত যেন লাহে লাগে কমি যাব ধৰিছে। নতুন প্ৰজন্মৰ আগ্ৰহহীনতাৰ বাবে।

মন্ত্ৰ সমূহৰ দৰে মায়ং অঞ্চলত প্ৰচলিত লোক সাহিত্যসমূহো লাহে লাহে লোপ পাব ধৰিছে। ইয়াৰ উৎসৱ পাৰ্বন, লোকাচাৰ লোকবিশ্বাস, গীতমাত সকলোতে যেন আধুনিকতাৰ পৰশ লাগি সলনি হ'ব ধৰিছে। নৱ প্ৰজন্মই ইয়াক অৱহেলাৰ চকুৰে চোৱা যেন বোধ হয়।

মায়ং প্ৰাকৃতিক সম্পদতো চহকী। বিশেষকৈ পবিতৰা অভয়াৰণ্য এখন লেখত ল'বগীয়া অভয়াৰণ্য। চমু কথাত ক'বলৈ হ'লে মায়ং প্ৰাকৃতিক, সামাজিক, সকলো দিশতে চহকী। বিশেষকৈ বিশ্ববিখ্যাত যাদুমন্ত্ৰৰ বাবে। মন্ত্ৰ সাধনা, লোকসাহিত্য, ভাষাৰ সুকীয়াত্ব আদি সংৰক্ষণ কৰি মায়ঙক এক সুকীয়াত্ব প্ৰদানেৰে গৌৰৱান্বিত তথা বিশ্ব দৰবাৰত চিনাকী কৰাই দিয়াটো অতি বাঞ্ছণীয়। নৱপ্ৰজন্ম তাৰ বাবে আগবাঢ়ি আহক, মায়ং জিলিকি থাকক মায়ং ৰূপেই - এয়াই আমাৰ কাম্য।

-ঃঃ-